# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-OCT-2025
**Time :** 0755  Hrs

***Assamese Morning Bulletin***

———————————————

ৰাজ্যত কালি ঘোষিত এ ডি আৰ ইৰ চতুৰ্থ বৰ্গৰ পদৰ নিযুক্তি পৰীক্ষাৰ ফলাফল অনুসৰি ১৩ লাখ ৯৯ হাজাৰ ৮৯৮ গৰাকী প্ৰাৰ্থীৰ ভিতৰত ৫ হাজাৰ ২৩ গৰাকী প্ৰাৰ্থী উত্তীৰ্ণ হৈছে। খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত এখন সংবাদমেলত ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ অধ্যক্ষ ড° বি কল্যাণ চক্ৰৱৰ্তীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে ৪১ টা বিভাগত প্ৰয়োজনীয় এই পদসমূহৰ বাবে যোৱা বছৰৰ ২৭ অক্টোবৰত লিখিত পৰীক্ষা অনুষ্ঠিত হৈছিল। লিখিত পৰীক্ষাত অৱতীৰ্ণ মুঠ প্ৰাৰ্থীৰ ভিতৰত ৯ হাজাৰ ৭৬২ গৰাকীক মৌখিক পৰীক্ষাৰ বাবে বাছনি কৰা হৈছিল। মৌখিক পৰীক্ষাত বাছনি লাভ কৰা ৫ হাজাৰ ২৩ গৰাকী প্ৰাৰ্থীৰ ভিতৰত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ এহেজাৰ ৮৭ গৰাকী আৰু আই টি আই উত্তীৰ্ণ এহেজাৰ ৮৩৩ গৰাকী প্ৰাৰ্থী আছে বুলি তেওঁ প্ৰকাশ কৰে।

ইপিনে, কাইলৈ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকৰ পদসমূহৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত এই কথা প্ৰকাশ কৰিছে। অহা ২৫ অক্টোবৰৰ ভিতৰত নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শিক্ষক পদৰ ফলাফলসমূহ ঘোষণা কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। ৰাজ্য চৰকাৰে স্বচ্ছ আৰু নিকা নিযুক্তিৰ ক্ষেত্ৰত গতি অব্যাহত ৰখাৰ অংশ হিচাপে চলিত মাহৰ ভিতৰতে ৩৫ হাজাৰ যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি লাভ কৰিবলৈ সমৰ্থ হৈছে বুলি মুখ্যমন্ত্ৰী শৰ্মাই উল্লেখ কৰিছে। তেওঁ লগতে অহা ৫ বছৰত দুই লাখতকৈ অধিক যুৱক-যুৱতীক নিযুক্তি দিয়াৰ বাবে পৰিকল্পনা লোৱা হৈছে বুলিও প্ৰকাশ কৰে।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ন্যায়িক জিম্মা লাভ কৰা অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি পাঁচজনক কালি বাক্সা জিলাৰ নিকাছিত থকা কাৰাগাৰলৈ নিয়াৰ সময়ত উদ্ভৱ হোৱা হিংসাত্মক ঘটনাৰ পাছত মাজনিশা ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিং ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে বিয়লিৰ ভাগত উদ্ভৱ হোৱা পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ পাছত সাংবাদিকৰ সৈতে মত বিনিময় কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আৰক্ষী বিষয়াগৰাকীয়ে কয়, যে ন্যায় প্ৰদানৰ এটা প্ৰক্ৰিয়া আছে, এই প্ৰক্ৰিয়াৰেহে আগবঢ়া উচিত। ঘটনাত জড়িত দোষীয়ে শাস্তি পাবই বুলি উল্লেখ কৰি ৰাজ্যৰ উন্নয়নৰ স্বাৰ্থত সকলোকে মিলি কাম কৰিবলৈ তেওঁ আহ্বান জনায়।

ইপিনে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জনতাৰ শিল্পী জুবিন গাৰ্গক লৈ জনসাধাৰণৰ আৱেগক ৰাজনৈতিক আহিলা হিচাপে ব্যৱহাৰ নকৰিবলৈ সকলো দলৰ প্ৰতি আহ্বান জনাইছে।

**ৰাইট (চি এম)**

উল্লেখযোগ্য যে কালি বিয়লি বাক্সাৰ নিকাছিত হিংসাত্মক পৰিস্থিতি সৃষ্টি হোৱাৰ পাছত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে সমগ্ৰ জিলাখনত আবেলিৰ পৰা সান্ধ্য আইন জাৰি কৰা হৈছে। সন্ধিয়াৰ পৰা জিলাখনত মোবাইল ইণ্টাৰনেট সেৱাও কৰ্তন কৰা হৈছে। কালি দুপৰীয়াৰ ভাগত অভিযুক্তকেইজনক গুৱাহাটীৰ পৰা কাৰাগাৰলৈ লৈ গৈ থকা

অৱস্থাত নিকাছিৰ কাৰাগাৰৰ প্ৰৱেশদ্বাৰৰ সমীপত আৰক্ষীৰ বাহনক লক্ষ্য কৰি স্থানীয় একাংশ লোকে আক্ৰমণ কৰাৰ লগতে আৰক্ষীৰ বাহনতো আক্ৰমণ কৰাৰ ফলত হঠাৎ পৰিস্থিতি জটিল হৈ পৰে। উত্তেজিত লোকসকলে আৰক্ষীৰ গাড়ীলৈ শিল দলিওৱাৰ উপৰি আৰক্ষী আৰু সংবাদ মাধ্যমৰ কেইবাখনো বাহনত অগ্নিসংযোগ কৰে। আটাইকেইজন অভিযুক্তক কাৰাগাৰৰ বাহিৰলৈ উলিয়াই দিয়াৰ দাবী জনাই ভালেসংখ্যক লোকে প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছত আৰক্ষী আৰু প্ৰতিবাদকাৰীৰ মাজত হতাহতি হয়। ইপিনে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে প্ৰথমে কন্দুৱা গেছ প্ৰয়োগ কৰে যদিও পৰিস্থিতি নিয়ন্ত্ৰণ নোহোৱাত শূন্যলৈ গুলীচালনা কৰিবলগীয়া হয়।

oooooo

অসম বিজ্ঞান সমিতিৰ ডিব্ৰুগড় শাখাৰ উদ্যোগত কালি দেশৰ প্ৰাক্তন ৰাষ্ট্ৰপতি, ভাৰতৰত্ন ড° এ পি জে আব্দুল কালামৰ জয়ন্তী বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হয়। সভাপতি, অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° ভাৰতী দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশিষ্ট ব্যক্তিসকলে বিজ্ঞানী ড° কালামৰ কৰ্ম আৰু অৱদানৰ বিভিন্ন দিশ সন্দৰ্ভত আলোকপাত কৰে।

oooooo

গোলাঘাটৰ নুমলীগড়ত কালি নিশা এখন দ্ৰুতবেগী ডাম্পাৰৰ খুন্দাত এজন চাইকেল আৰোহী নিহত হয়। ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা বকিয়াল সংযোগী পথত সংঘটিত এই দুৰ্ঘটনাটোত বগীঢলাৰ অৰ্জুন কুমাৰ নামৰ লোকজনক ডাম্পাৰে মহটিয়াই নিয়ে।

oooooo

সমাপ্ত